*সেই সময়ত গোৰ্খা ৰেজিমেণ্টৰ সীমা সুৰক্ষাৰ দায়িত্বত আছিল অসমৰ পাৰ্বতী চৰণ দাস। তেখেত আছিল ৪/১১ গোৰ্খা ৰেজিমেণ্টৰ ছিগনেল ডিপাৰ্টমেণ্টৰ লেফটেনেণ্ট। লেফটেনেণ্ট দাসে সীমান্তত যোগাযোগ ব্যৱস্থা স্থাপনৰ বাবে দেহে-কেহে খাটিছিল। সেই কালত আজিকালিৰ দৰে ৱায়াৰলেছ, ম'বাইল ফোন, ইণ্টাৰনেট আদি সুবিধা নাছিল। যোগাযোগ হৈছিল কেৱল তাঁৰ বাৰ্তাৰ যোগেদি। বাট-পথো আছিল দুৰ্গম। কাৰ্গিল সীমান্তৰ বৰফাবৃত দুৰ্গম পৰ্বত, হিম শীতল পৰিৱেশ, সংকীৰ্ণ গিৰিপথ, খৰস্ৰোতা নদী, থিয় পৰ্বত আদি একোৱেই লেফটেনেণ্ট দাসৰ সন্মুখত কামত অগ্ৰসৰ হোৱাত বাধা হিচাপে গণ্য হোৱা নাছিল।*

# ১৯৪৯ চনৰ কাৰ্গিলৰ ছহিদ অসম সন্তান পাৰ্বতী চৰণ দাস

**প্ৰফুল্ল বৰুৱা**

ভাৰত-পাকিস্তানে স্বাধীনতা পোৱাৰ সময়ত জম্মু-কাশ্মীৰে ভাৰত নাইবা পাকিস্তান কোনো এখন দেশতে যোগদান নকৰি স্বাধীন হৈ থকাৰ পোষকতা কৰিছিল। সেয়েহে পাকিস্তানে বল প্ৰয়োগ কৰি জম্মু-কাশ্মীৰক নিজৰ লগত চামিল কৰাৰ উদ্দেশ্যৰে ১৯৪৭ চনৰ ২২ অক্টোবৰত কাশ্মীৰত আক্ৰমণ চলায়। সেই সময়ত কাশ্মীৰৰ ৰজা আছিল হৰি সিং। ৰজা হৰি সিঙে পাক সৈন্যক প্ৰতিৰোধ কৰিব নোৱাৰি আনুষ্ঠানিকভাৱে ভাৰতত যোগদান কৰাত তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ভাৰতীয় সেনাক নিয়োগ কৰি পাক সৈন্যক খেদি পঠিয়ায়। এই লৈ দুয়োখন দেশৰ মাজত উত্তেজনা অব্যাহত থকাত সীমা সুৰক্ষাৰ বাবে সেনা বাহিনীৰ গোৰ্খা ৰেজিমেণ্টক সীমান্তত নিয়োগ কৰা হয়। সেই সময়ত গোৰ্খা ৰেজিমেণ্টৰ সীমা সুৰক্ষাৰ দায়িত্বত আছিল অসমৰ পাৰ্বতী চৰণ দাস। তেখেত আছিল ৪/১১ গোৰ্খা ৰেজিমেণ্টৰ ছিগনেল ডিপাৰ্টমেণ্টৰ লেফটেনেণ্ট। লেফটেনেণ্ট দাসে সীমান্তত যোগাযোগ ব্যৱস্থা স্থাপনৰ বাবে দেহে-কেহে খাটিছিল। সেই কালত আজিকালিৰ দৰে ৱায়াৰলেছ, ম'বাইল ফোন, ইণ্টাৰনেট আদি সুবিধা নাছিল। যোগাযোগ হৈছিল কেৱল তাঁৰ বাৰ্তাৰ যোগেদি। বাট-পথো আছিল দুৰ্গম। কাৰ্গিল সীমান্তৰ বৰফাবৃত দুৰ্গম পৰ্বত, হিম শীতল পৰিৱেশ, সংকীৰ্ণ গিৰিপথ, খৰস্ৰোতা নদী, থিয় পৰ্বত আদি একোৱেই লেফটেনেণ্ট দাসৰ সন্মুখত



*অসমৰ ৰাইজে দাসৰ স্মৃতিত একো নকৰিলেও গোৰ্খা ৰেজিমেণ্টে সেই তেতিয়াৰ পৰাই দাসৰ স্মৃতিত প্ৰতিবছৰে লক্ষ্ণৌত সৰ্বভাৰতীয় পৰ্যায়ত 'দাস মেম'ৰিয়েল ফুটবল চেম্পিয়নশ্বিপ' নামৰ এখন ডাঙৰ সন্মানজনক ফুটবল খেল অনুষ্ঠিত কৰি আহিছে।*

কামত অগ্ৰসৰ হোৱাত বাধা হিচাপে গণ্য হোৱা নাছিল।

জম্মু-কাশ্মীৰৰ চুলিচাং গাঁৱত থকা সেনাবাহিনীৰ হেডকোৱাৰ্টাৰৰ পৰা সীমান্তৰ অতিশয় দুৰ্গম স্থানত অৱস্থিত গোৰ্খা ৰেজিমেণ্টৰ কাৰ্যালয়টোলৈ তাঁৰবাৰ্তা পঠিয়াবলৈ টেলিফোনৰ তাঁৰ সংযোগ কৰাটো সীমান্ত সুৰক্ষাৰ বাবে অতিশয় প্ৰয়োজনীয় হৈ পৰিছিল। এই কামত প্ৰধান বাধা আছিল চুলিচাং গাঁওখনৰ সমীপেদি বৈ যোৱা অতিশয় খৰস্ৰোতা হিমশীতল সিন্ধু নদীখন। বহু চেষ্টা কৰিও টেলিফোনৰ তাঁৰকেইডাল নদীখন পাৰ কৰাই নিব নোৱৰাত তেখেতে নিজে সাঁতুৰি পাৰ হৈ তাঁৰকেইডাল সিটো পাৰলৈ নিয়াৰ সিদ্ধান্ত লয়। সেই উদ্দেশ্যে ১৯৪৯ চনৰ ৫ অক্টোবৰৰ দিনা লেফটেনেণ্ট দাসে লগত দুগৰাকী ছিগনেলাৰ লৈ ঠাইখন পৰিদৰ্শন কৰি আহে। পুনৰ ৬ অক্টোবৰৰ দিনা পুৱা তেখেত সতীৰ্থ কেইজনক লগত লৈ নদীখনৰ পাৰলৈ যায়। প্ৰথমে তেখেতসকলে বহুবাৰ তাঁৰৰ কুণ্ডলীটো নদীখনৰ সিটো পাৰলৈ দলিয়াই পাৰ কৰিবলৈ চেষ্টা কৰিছিল যদিও সফল হ'ব নোৱাৰিলে। বাৰে বাৰে চেষ্টা কৰিও সফল হ'ব নোৱৰাত হাৰ মানিব নোখোজা সাহসী অসম সন্তানগৰাকীয়ে খৰস্ৰোতা নদীখন সাঁতুৰি পাৰ হৈ সিটো পাৰলৈ যাবলৈ বুলি হাতত তাঁৰৰ কুণ্ডলীটো লৈ খৰস্ৰোতা নদীখনত জঁপিয়াই পৰে। কিন্তু নৈখনৰ মাজমান পাওঁতেই নদীৰ কোবাল পকনীয়া